অধ্যায় ৫ ঃ চন্দ্রকুমাৰ আগৰৱালা ঃ *বীণ-বৰাগী*

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ ৰমন্যাসবাদ আৰু ৰমন্যাসবাদী কবিতাৰ বৈশিষ্ট্য
৫.৪ অসমীয়া ৰমন্যাসবাদী কবিতাৰ সাধাৰণ আলোচনা
৫.৫ *বীণ-বৰাগী*
৫.৫.১ কবি পৰিচয়
৫.৫.২ কবিতাটিৰ মূল পাঠ
৫.৫.৩ কবিতাটিৰ বিষয়বস্তু
৫.৬ কবি হিচাপে চন্দ্রকুমাৰ আগৰৱালাৰ মূল্যায়ন
৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৮ অধিক জানিবলৈ
৫.৯ অগ্রগতিৰ খতিয়ান (কৱল ৰূপৰেখা)
৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰমন্যাসবাদ আৰু ৰমন্যাসবাদী কবিতাৰ বৈশিষ্ট্য নিৰূপণ কৰিব পাৰিব
- অসমীয়া ৰমন্যাসিক কবিতাৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব পাৰিব
- ৰমন্যাসিক কবি হিচাপে চন্দ্রকুমাৰ আগৰৱালাৰ বিষয়ে জানিব পাৰিব
- *বীণ-বৰাগী* কবিতাটোৰ বিষয়বস্তু আৰু কবিতাটিত প্রতিফলিত ৰমন্যাসিক চিন্তাৰ ব্যাখ্যা আগবঢ়াব পাৰিব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আপুনি গুৰু দুজনাই ৰচনা কৰা দুটি বৰগীত অধ্যয়ন কৰিলে। মন কৰিব যে এতিয়ালৈকে আপুনি যিকেইটা কবিতা অধ্যয়ন কৰিলে সেই আটাইকেইটি পুৰণি অসমীয়া কবিতা। এই অধ্যায়টিৰ পৰা আপুনি অধ্যয়ন কৰিব কেইটিমান অসমীয়া ৰমন্যাসিক কবিতা আৰু কেইটিমান আধুনিক অসমীয়া কবিতা। এই অধ্যায়টিত আপুনি ৰমন্যাসবাদী কবি চন্দ্রকুমাৰ আগৰৱালাৰ *বীণ-বৰাগী* কবিতাটো অধ্যয়ন কৰিবলৈ সুযোগ লাভ কৰিব।

বীণ-বৰাগী কবিতাটো জোনাকী যুগৰ 'ত্রিমূর্তি'ৰ অন্যতম চন্দ্রকুমাৰ আগৰৱালাৰ অনবদ্য সৃষ্টি। *জোনাকী* কাকতে সমসাময়িক সময়ছোৱাত অসমীয়া কাব্যাকাশক পাশ্চাত্যৰ ৰমন্যাসবাদেৰে টোৱাই তুলিছিল। এই টোতে 'ত্রিমূর্তি'ৰ অন্যতম চন্দ্রকুমাৰ আগৰৱালাৰ কাব্যচিন্তাই অভিনৱ প্রান্তত নাও মেলি দিছিল। তেওঁৰ সহযাত্রীদ্বয় আছিল লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্র গোস্বামী। পাঠত আলোচিত হোৱা *বীণ-বৰাগী* কবিতাটোৰ মাজেদি আমি চন্দ্রকুমাৰ আগৰৱালাৰ কাব্যচিন্তাৰ লগত পৰিচিত হোৱাৰ লগতে ৰমন্যাসবাদী কবিতাৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব।

৫.৩ ৰমন্যাসবাদ আৰু ৰমন্যাসবাদী কবিতাৰ বৈশিষ্ট্য

ইংৰাজ ৰমন্যাসিক কবিসকলৰ কবিতা অষ্টাদশ শতিকাৰ কবিসকলৰ কবিতাতকৈ এটা ক্ষেত্রত বিশেষভাবে পৃথক। এই পার্থক্যৰ পৰাই ৰমন্যাসবাদৰ বৈশিষ্ট্য সম্পর্কে ধাৰণা কৰিব পাৰি। ৰমন্যাসবাদীসকলে কল্পনাৰ ক্ষেত্রত বিশেষ গুৰুত্ব আৰোপ কৰিছিল আৰু এই সম্পর্কে তেওঁলোকৰ বিশেষ দৃষ্টিভঙ্গী আছিল। পুঙ্খানুপুঙ্খভাৱে চালে বিষয়বস্তু বা অন্য দিশত পার্থক্য থাকিলেও কল্পনাৰ ক্ষেত্রত ব্লেইক, ক'লৰিজ, ৱর্ডচৰর্থ, শ্যেলী, আৰু কীটছ গোটেই কেইগৰাকী কবিৰ মাজত মত পার্থক্য নাই। প্রত্যেক গৰাকী কবিৰ বাবে কল্পনাত নিহিত আছে গভীৰভাৱে বিবেচিত কবিতাৰ তত্ত্ব। ওঠৰ শতিকাৰ কাব্যিক তত্ত্বৰ ক্ষেত্রত কল্পনা এটা প্রধান বিন্দু (Point) নাছিল। পোপ, জনছন আৰু তাতোকৈ আগৰ ড্রাইডেনৰ বাবে ইয়াৰ মূল্য আছিল একেবাৰে কম। তেওঁলোকে যেতিয়া ইয়াৰ উল্লেখ কৰিছিল তেতিয়া তাৰ তাৎপর্য আছিল সীমাবদ্ধ। তেওঁলোকে 'Judgement' বুলি আখ্যা দিয়া উপকৰণটোৰে নিয়ন্ত্রিত হোৱা Fancyক অনুমোদন জনাইছিল। এই কবিসকলে পছন্দ কৰিছিল কল্পচিত্রৰ থাউকতে ব্যৱহাৰ। কিন্তু তেওঁলোকৰ মতে কবিতাৰ বাবে আটাইতকৈ প্রয়োজন আবেগৰ প্রতি সততা। এই আবেগকে তেওঁলোকে অভিহিত কৰিছিল Sentiment বুলি। সাধাৰণ মানুহৰ অভিজ্ঞতা তেওঁলোকে সাধাৰণভাৱে ৰূপায়িত কৰিব বিচাৰিছিল। এই কবিসকল খাম-খেয়ালিৰে নতুন এখন জগত সৃষ্টিত পক্ষপাতী নাছিল। তেওঁলোকৰ মতে কবিসকল স্রষ্টা হোৱাতকৈ ব্যাখ্যাকর্তাহে। অচিনা আৰু অদেখালৈ অভিযানতকৈ তেওঁলোকৰ মনোযোগ সীমাবদ্ধ আছিল তেওঁলোকে যিখিনি জানে তাৰ ওপৰতহে। জীৱনৰ পৰিচিত আভাস (Appearance)ৰ প্রতি তেওঁলোকৰ যিমান অনুৰাগ আছিল জীৱনৰ ৰহস্যময়তাৰ প্রতি তেওঁলোকৰ তেনে অনুৰাগ নাছিল। জীৱনৰ পৰিচিত আভাসকে সততা আৰু সৌন্দর্য্যৰে ৰূপায়ণ কৰিব লাগিব। আনহাতে, ৰমন্যাসিকসকলৰ বাবে কল্পনা মৌলিক, কিয়নো তেওঁলোকে ভাবে যে ইয়াৰ অবিহনে কবিতা অসম্ভৱ।

কল্পনাৰ ওপৰত এই বিশ্বাস ব্যক্তিসত্তাৰ ওপৰত তেতিয়াৰ বিশ্বাসৰে অংশ বিশেষ। কবিসকলে ভাবিছিল যে এখন কাল্পনিক জগত সৃষ্টিৰ বাবে তেওঁলোকৰ আশ্চর্যকৰ ক্ষমতা আছিল। তেওঁলোকে কেতিয়াও বিশ্বাস কৰা নাছিল যে সেয়া নিষ্প্রাণ আৰু ভ্রান্ত। আনহাতে, তেওঁলোকে ভাবিছিল যে কল্পনাক সংযত কৰা মানে তেওঁলোকৰ সামগ্রিক সত্তাৰ বাবে অতিকৈ প্রয়োজনীয়

কিবা এটা অস্বীকাৰ কৰা। তেওঁলোকে ভাবিছিল যে এই কল্পনাৰ জোৱতে তেওঁলোক কবি হ'ব পাৰিছে। তেওঁলোকে বিবেচনা কৰিছিল যে কল্পনাৰ কৰ্ষণৰ জৰিয়তে অইন কবিসকলতকৈ তেওঁলোকে অধিক সফলতা অৰ্জন কৰিব পাৰিছিল। এই কবিসকলৰ সাফল্য সতৰ্কতা আৰু সাধাৰণ চেতনাৰ বাবে কল্পনাক ত্যাগ কৰা সকলতকৈ ভিন্ন প্ৰকৃতিৰ। তেওঁলোকে লক্ষ্য কৰিছিল যে সৃষ্টিশীল প্ৰবৃত্তি যেতিয়া বাধাহীন হৈ পৰে তেতিয়া কবিতাৰ শক্তি আটাইতকৈ বেছি হয়। নিজৰ অভিজ্ঞতাৰে তেওঁলোকে দেখিছিল যে উৰি ফুৰা কল্পচিত্ৰবোৰক তেওঁলোকে মূৰ্তৰূপ দিব বিচাৰিছিল। যেতিয়ালৈকে অপৈণত চিন্তাবোৰক তেওঁলোকে নিজৰ আয়ত্বলৈ আনিব নোৱাৰিছিল আৰু সেইবোৰক শিল্পৰূপ প্ৰদান কৰিব পৰা নাছিল, তেতিয়ালৈকে তেওঁলোকে অপৈণত চিন্তাবোৰৰ পাছে পাছে ঘুৰি ফুৰিছিল। যিদৰে আদৰ্শস্থানীয় ৰাজনীতিত মানুহে তেওঁলোকৰ মনবোৰ প্ৰচলিত নীতিৰ পৰা সংশোধিত মানৱতাৰ ফালে ধাৰিত কৰে, তেনেদৰে কবিসকলে কলাত বা শিল্পত অস্তিত্বৰ গতানুগতিক ৰীতি বৰ্জন কৰিছিল। তাৰ সলনি তেওঁলোকে গ্ৰহণ কৰিছিল ব্যক্তিগত দুঃসাহসিক কাৰ্য। ইয়াত আছিল এক প্ৰেৰণাদায়ক দীপ্তি। নৱজাগৰণৰ কবিসকলে হঠাতে মানৱ সত্তাৰ বিশাল সম্ভাৱনাৰ সম্মুখীন হৈছিল। তাক তেওঁলোকে ৰূপায়িত কৰিছিল সাহসী আৰু ব্যাপক শিল্পত। এয়া নিশ্চিতভাবে জীৱনৰ অনুকৰণতকৈ বহুত বেছি। তেনেদৰে ৰমন্যাসিকসকলো নিজৰ ক্ষমতাৰ বিষয়ে সম্পূৰ্ণ সচেতন আছিল। তেওঁলোকেও নৱজাগৰণৰ কবিসকলে মনৰ এখন নতুন জগত সৃষ্টিৰ কথা ভবাৰ দৰে মনৰ এখন নতুন জগত সৃষ্টিৰ কথা ভাবিছিল।



চিন্তা-চৰ্চা কৰক ৫.১

'ৰমন্যাসবাদ'ৰ প্ৰবক্তাসকলৰ বিষয়ে আৰু তেওঁলোকৰ কাব্যকৃতি সম্পৰ্কে চমুকৈ লিখিবলৈ যত্ন কৰক।



মেটাফিজিকেল ঃ এনে এক প্ৰকাৰৰ কবিতা, য'ত আবেগতকৈ বৌদ্ধিক চিন্তাই প্ৰাধান্য লাভ কৰে। ইয়াৰ বৈশিষ্ট্যপূৰ্ণ দিশ হ'ল শ্লেষ, বিৰোধ ভাস আৰু বৈসাদৃশ্যযুক্ত বস্তুৰ মাজত তুলনা।

লক ঃ জন লক আছিল সপ্তদশ শতিকাৰ এগৰাকী ইংৰাজ দাৰ্শনিক। তেওঁৰ চিন্তাই উদাৰনৈতিক গণতন্ত্ৰৰ ভেটি সৃষ্টি কৰিছিল।

ধৰ্মীয় আৰু ***মেটাফিজিকেল*** এই দুয়োটা বিবেচনাৰ জৰিয়তে কল্পনাৰ ওপৰত ৰোমাণ্টিক গুৰুত্বক শক্তি প্ৰদান কৰা হৈছে। এটা শতিকা জুৰি ***লকৰ*** তত্ত্বই ইংৰাজী দৰ্শন প্ৰভাৱান্বিত কৰি আছিল। লকে অনুধাৱন কৰিছিল যে সংগঠনৰ ফালৰ পৰা আমাৰ মনটো সম্পূৰ্ণভাৱে নিষ্ক্ৰিয়। লকৰ পদ্ধতিটো বৈজ্ঞানিক চিন্তা-চৰ্চাৰ বাবে বিশেষভাৱে উপযোগী আছিল। এই বৈজ্ঞানিক চিন্তা-চৰ্চাৰ প্ৰতিনিধিত্বমূলক কণ্ঠস্বৰ আছিল নিউটন। এই দাৰ্শনিক আৰু বিজ্ঞানী গৰাকীয়ে জগতক কিছুমান বৈজ্ঞানিক সূত্ৰেৰে সম্পূৰ্ণকৈ বুজিব পাৰি বুলি অভিহিত কৰিছে। তেওঁৰ মতে মানৱ সত্তাক পূৰ্বে সামান্য সন্মানহে আগবঢ়োৱা হৈছিল। এইদৰে লক আৰু নিউটন উভয়ে তেওঁলোকৰ জগত (Universe)ত ভগৱানৰ বাবে এডুখৰি স্থান উলিয়াই লৈছিল। ৰমন্যাসিকসকলে ধৰ্ম বোলোতে সেয়া বুজোৱা নাছিল। কল্পনাৰ এই জগতখন অসীম আৰু পাৰত্ৰিক; আনহাতে, চৰ্ম চক্ষুৰে দেখা জগত সমীম আৰু অস্থায়ী।

ব্লেইকৰ মতে কল্পনাশক্তি ভগৱানতকৈ কোনোপধ্যে কম নহয়, কিয়নো তেওঁ মানুহৰ আত্মাত কাম কৰে। ইয়াৰ পৰিণতি স্বৰূপে কল্পনাৰ দ্বাৰা পৰিৱেশিত সকলো ধৰণৰ সৃষ্টিয়েই স্বৰ্গীয়।

কল্পনাৰ জৰিয়তে মানুহৰ আধ্যাত্মিক প্ৰকৃতি সম্পূৰ্ণভাৱে আৰু চূড়ান্ত ৰূপত অনুধাৱন কৰিব পাৰি। ক'লৰিজে ইয়াক জটিলকৈ নকৈ পোনপটীয়াকৈ কৈছিল, কিন্তু তেওঁৰ সিদ্ধান্ত ব্লেইকতকৈ বেছি পৃথক নাছিল। তেওঁ কবিতাক গৌণ কল্পনাৰ সৃষ্টি হিচাপে বিবেচনা কৰিছিল। যিহেতু গৌণ কল্পনাৰ সৈতে মুখ্য কল্পনাৰ পাৰ্থক্য কেৱল মাত্ৰাগত, সেয়ে এইটো স্পষ্ট হৈ পৰে যে ক'লৰিজৰ বাবে কল্পনাৰ গুৰুত্ব প্ৰথম কিয়নো ই ভগৱানৰ সৃজনীমূলক কাম-কাজত অংশ গ্ৰহণ কৰে।

চিন্তা-চৰ্চা কৰক ৫.২

অধিক জানিবলৈত উল্লেখ থকা কিতাপ কেইখনৰ সহায়ে�ৰে 'ৰমন্যাসবাদ' কেনেদৰে আৰম্ভ হৈছিল, কোনে কোনে আৰম্ভ কৰিছিল আৰু ক'ত আৰম্ভ হৈছিল সেই বিষয়ে চমুকৈ লিখিবলৈ যত্ন কৰক।

- **ৰমন্যাসবাদী কবিতাৰ বৈশিষ্ট্য ঃ** কল্পনাৰ উন্মুক্ত প্ৰকাশ ৰমন্যাসবাদী কবিতাৰ অন্যতম বৈশিষ্ট্য, কাৰণ ৰমন্যাসবাদীসকলে বিশ্বাস কৰিছিল যে কল্পনাৰ গুৰুত্ব স্বীকাৰ নকৰাৰ অৰ্থ হ'ল ব্যক্তিৰ সামগ্ৰিক সত্তাটোকে অস্বীকাৰ কৰা। নৱজাগৰণৰ কবিসকলে হঠাতে যিদৰে ব্যক্তিসত্তাৰ বিৰাট সম্ভাৱনা দেখিবলৈ পাইছিল আৰু যিদৰে সাহসিকতাপূৰ্ণ উচ্চ পৰ্যায়ৰ কলাত সেইবোৰ ৰূপায়ণ কৰিছিল, তেনেদৰে ৰমন্যাসবাদীসকলেও তেওঁলোকৰ নিজস্ব ক্ষমতাৰ পূৰ্ণ ব্যৱহাৰ কৰিছিল। নৱজাগৰণৰ কবিসকলৰ দৰেই ৰমন্যাসিক কবিসকলেও নিজৰ ক্ষমতাৰ জৰিয়তে নতুন পৃথিৱী গঢ়ি তুলিবলৈ বিচাৰিছিল।



ৰমন্যাসিক কবিতাৰ এটি বৈশিষ্ট্য হ'ল মধ্যযুগ প্ৰীতি। অতীতৰ সোঁৱৰণী যুক্ত বস্তুৱে ৰমন্যাসিক কবিৰ কল্পনাক সোনকালে দোলা দি যাব পাৰে। ৰমন্যাসিক কবিৰ এই মধ্যযুগ প্ৰীতি কিন্তু ৰক্ষণশীলতাৰ অভিব্যক্তি নহয়। ৰমন্যাসিক কবিৰ সুদূৰ প্ৰসাৰী তৃষ্ণাৰ ই এক প্ৰকাৰৰ প্ৰকাশ মাথোঁ। কীটছৰ *Ode on a Grecian Urn* কবিতাত গ্ৰীছৰ মধ্যযুগ উদ্ভাসিত হৈ উঠিছে। মধ্যযুগত 'Ballad' কবিতা অতি জনপ্ৰিয় আছিল। ইংৰাজী ৰোমাণ্টিক (ৰমন্যাস) যুগৰ কবিসকলেও 'Ballad' কবিতাৰ ৰীতি ঠাই বিশেষে অনুসৰণ কৰিছিল। অসমীয়া ৰোমাণ্টিক কবি চন্দ্রকুমাৰ আগৰৱালাইও অসমীয়া ভাষাত অতীজৰ পৰা চলি অহা দেহবিচাৰৰ গীত আৰু চাৰণ কবিৰ সমল গ্ৰহণ কৰাৰ চিন *বীণ-ৰৱাগী* কবিতাত পৰিদৃষ্ট হয়।

সৰ্বসাধাৰণৰ জীৱন-চৰ্যাৰ প্ৰতি আকৰ্ষণ ৰমন্যাসিক কবিতাৰ আন এটি বৈশিষ্ট্য। ৱৰ্ডচৱৰ্থৰ কবিতাত ধান দাই থকা দাৱনী, জোক সংগ্ৰহকাৰী ব্যক্তিৰ জীৱনো কবিতাত ৰূপায়িত হৈছে। ভগৱানৰ সলনি মানুহে গুৰুত্ব লাভ কৰাৰ বাবে সাধাৰণ মানুহেও ৰমন্যাসিক কবিতাৰ লগত একাত্ম হ'বলৈ প্ৰেৰিত হৈছিল।

ৰহস্যবোধ ৰমন্যাসিক কবিতাৰ আন এটি বৈশিষ্ট্য। ইংৰাজ ৰমন্যাসিক কবিতাত জাৰ্মান দাৰ্শনিকসকলৰ প্ৰভাৱ লক্ষ্য কৰা যায়। জাৰ্মান দাৰ্শনিকসকলৰ ***সৰ্বেশ্বৰবাদে***



সৰ্বেশ্বৰবাদ ঃ সৰ্বেশ্বৰবাদ হৈছে এনে এক বিশ্বাস, য'ত, ঈশ্বৰ সৰ্বব্যাপি আৰু সকলো ইশ্বৰময় বুলি বিশ্বাস কৰা হয়।

(Pantheism) ইংৰাজী ৰমন্যাসিক কবিতাক প্ৰভাৱান্বিত কৰিছে। ৱৰ্ডচৱৰ্থৰ *টিনটাৰ্ণ এবি* কবিতাত সৰ্বেশ্বৰবাদৰ ৰূপায়ণ কোনো কোনো সমালোচকে দেখুৱাই দিছে। মহেন্দ্ৰ বৰাই অভিমত আগবঢ়াইছে যে শ্যেলীৰ *এডনেইছ্ব* দৰে মহৎ কবিতাটোত জার্মান দর্শনৰ সৰ্বেশ্বৰবাদৰ প্ৰকাশ ঘটিছে।

প্ৰকৃতিৰ চিত্ৰণ ৰমন্যাসবাদী কবিতাৰ আন এটি বৈশিষ্ট্য। ৰমন্যাসিক কবিতাত প্ৰকৃতি স্পন্দনহীন আৰু নিষ্ক্ৰিয় নহয়। বৰঞ্চ মানুহৰ দৰেই ই এটা সজীৱ সত্তা। প্ৰকৃতি মানৱ জীৱনৰ সৈতে নিবিড়ভাবে বান্ধ খাই আছে। ৱৰ্ডচৱৰ্থৰ প্ৰসিদ্ধ *টিনটাৰ্ণ এবি* কবিতাত মানৱ জীৱনৰ বিকাশৰ বিভিন্ন স্তৰত প্ৰকৃতিৰ প্ৰতি দৃষ্টিভঙ্গী কিদৰে সলনি হৈ থাকে তাৰ মনোৰম আভাস পোৱা যায়।

মানৱতাবোধ ৰমন্যাসিক কবিতাত প্ৰবলভাৱে অনুভূত হয়। কেতিয়াবা প্ৰকৃতিৰ ৰূপায়ণৰ জৰিয়তে, কেতিয়াবা আকৌ প্ৰত্যক্ষভাবে এই বোধ প্ৰকাশিত হৈছে। সাধাৰণ মানুহৰ জীৱনৰ সংগ্ৰাম ৰমন্যাসবাদী কবিসকলে মর্মস্পৰ্শী ৰূপায়ণ কৰিছে। উইলিয়াম ৱৰ্ডচৱৰ্থৰ *The Solitary Reaper* কবিতাটোত আপোন মনে পথাৰত ধান দাই থকা দাৱনী এজনীৰ কথা কোৱা হৈছে। ধান দাই থকা কামত এই ছোৱালীজনী নিয়োজিত কৰা হৈছে। ইংলণ্ডৰ Highlandৰ সীমামূৰিয়লিত অকলশৰে নিয়োজিত ছোৱালীয়ে কাম কৰি থকা এনে দৃশ্য সুলভ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰোমাণ্টিক কবিতা কি? ইংলণ্ডত এই আন্দোলনে কেনে ৰূপ ধাৰণ কৰিছিল চমুকৈ লিখক।

(১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ২ ঃ ৰোমাণ্টিক কবিতাৰ যিকোনো এটা বৈশিষ্ট্য উল্লেখ কৰি সেই বৈশিষ্ট্যটোৰ বিষয়ে উদাহৰণসহ আলোচনা আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত লিখক)

৫.৪ অসমীয়া ৰমন্যাসবাদী কবিতাৰ সাধাৰণ আলোচনা

অসমীয়া ৰমন্যাসিক কবিতা প্ৰাচ্য আৰু পাশ্চাত্যৰ মিলনৰ ফল। এই কাব্যৰ ওপৰত পাশ্চাত্যৰ প্ৰভাৱ আৰু প্ৰসাৰ গভীৰ। অধুনিক যুগৰ আৰম্ভণিত অসমীয়া লেখকসকল পশ্চিমীয়া শিক্ষাৰ যোগেদি পাশ্চাত্য সাহিত্যৰ সংস্পৰ্শলৈ আহে। এই সংস্পৰ্শৰ ফলত অসমীয়া কবি সাহিত্যিকৰ দৃষ্টিভঙ্গীৰ আমূল পৰিৱৰ্তন সাধিত হয়। অৱশ্যে এইখিনিতে আমি এই কথা কোৱা উচিত হ'ব যে লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে কবি পাশ্চাত্যৰ লগতে প্ৰাচ্য, বিশেষকৈ ভক্তি কবিতাৰ দ্বাৰাও অনুপ্ৰাণিত হৈছিল। আলোচক উপেন্দ্ৰনাথ শর্মাই অভিমত আগবঢ়াইছে যে ৰোমাণ্টিক সাহিত্যৰ প্ৰাৰম্ভৰ এই বিশাল আন্দোলনৰ তুলনাত যুদ্ধোত্তৰ যুগৰ পৰিৱৰ্তনসমূহ সামান্য বুৰ্বুৰণি মাথোন।

ঊনবিংশ শতিকাৰ শেষৰফালে এটা যুগৰ পৰিৱৰ্তন অৱশ্যম্ভাৱী আছিল। এই সময়ছোৱাত চাৰিশ বছৰমান ধৰি সক্রিয় হৈ থকা আদর্শৰ লগত খাপ খুৱাই সাহিত্য ৰচনা কৰা সম্ভৱ নাছিল। ইংৰাজসকলৰ প্রাধান্য বিস্তাৰৰ লগে লগে অসমৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত আধুনিক যুগৰ সূচনা হয়। আনকি লোকসাহিত্যৰ প্রতি লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্রকুমাৰ আগৰৱালা আৰু হেমচন্দ্র গোস্বামীৰ ধাউতি আৰু তেওঁলোকৰ কাব্য-কৃতিত সিবোৰৰ প্রতিফলন পশ্চিমীয়া প্রভাৱৰ নমুনা। ৰমন্যাসিক অসমীয়া কবিতাৰ এই নির্মাতাসকল পুৰণি ঐতিহ্যৰ প্রতি শ্রদ্ধাশীল আছিল যদিও কিছুমান যুগান্তকাৰী ৰাজনৈতিক তথা সামাজিক পৰিৱর্তনে তেওঁলোকৰ মনোভঙ্গীক গঢ় দিছিল। এইখিনিতে ভৱানন্দ দত্তৰ উক্তি মনত পেলাব পাৰি— "ব্যক্তিৰ মর্যাদা আৰু জীৱনৰ মূল্যবোধে তেওঁলোকৰ মনলৈ এক নতুন জাতীয় আত্মপ্রতিষ্ঠাৰ প্রেৰণা আনি দিছিল। গোটেই অসমীয়া সমাজখনত তেওঁলোকে নানা পুৰণি কুসংস্কাৰৰ পৰা মুক্ত কৰি উদাৰনৈতিক মানৱতাৰ ভেটিত গঢ়ি তুলিবলৈ বিচাৰিছিল।"

অসমীয়া ৰমন্যাসিক কবিসকল ইংৰাজী ৰোমাণ্টিক যুগৰ কবিসকলৰ দ্বাৰা প্রভাৱান্বিত হৈছিল। কল্পনা তথা আবেগৰ অবাধ বিস্তৃতি আৰু মুক্ত প্রকাশ আৰু লগতে সৌন্দর্য্যৰ সাধনা এই দুটা দিশ যে ৰমন্যাসিক যুগৰ কবিতাৰ প্রধান বৈশিষ্ট্যবোৰৰ ভিতৰত অন্যতম, এই বিষয়ত কাৰো দ্বিমত নাই। মানৱ মনটোৰ কার্যাৱলী আচৰিত ধৰণেই 'ৰোমাণ্টিক' বুলি কোৱা হৈছে আৰু এই 'ৰোমাণ্টিকতা' কিছুমানৰ বাবে 'অন্তৰ ইয়াত মনৰ বিপৰীতে', অইন কিছু সংখ্যকৰ বাবে কল্পনা হ'ল যুক্তি আৰু বাস্তৱবোধৰ বিপৰীত। (The function of the human mind which is to be regarded as peculiarly, 'romantic' is for some 'the heart as opposed to the head; for others, 'the Imagination, as contrasted with Reason and the Sense of Fact.')। ৰমন্যাসবাদীসকলে কল্পনাৰ ক্ষেত্রত বিশেষ গুৰুত্ব আৰোপ কৰিছিল আৰু কল্পনা সম্পর্কে তেওঁলোকৰ বিশেষ দৃষ্টিভঙ্গী আছিল।

ৰমন্যাসিক যুগৰ কবিসকল এলিজাবেথান যুগৰ লিৰিকবোৰৰ দ্বাৰা গভীৰভাৱে আলোড়িত হৈছিল। জন ডানৰ 'মেটাফিজিকেল' কবিতাৰ বিপৰীতে অসমীয়া ৰমন্যাসিক কবিসকলৰ বাবে লিৰিকসমূহৰ সহজ গীতিধর্মিতা আকর্ষণৰ বিন্দু আছিল। এলিজাবেথান যুগৰ কবিসকলৰ কবিতাৰ দৰেই ঈষৎ নৈব্যক্তিক। দুয়ো ধৰণৰ কবিতাতে গতানুগতিকভাৱে প্রেমিকাৰ ৰূপ বর্ণনা কৰিছে। অসমীয়া ৰমন্যাসিক কবিসকলে এলিজাবেথীয় কবিতাৰ সঙ্গীতমুখৰতাৰ পৰা বিশেষভাৱে শিক্ষা গ্রহণ কৰিছিল।

লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰে কেইটামান কবিতাত কবিতাৰ স্বৰূপ বিচাৰ কৰি চাইছে। কবিতাৰ সৌন্দর্য্য নাৰীৰ অবর্ণনীয় সৌন্দর্য্যৰ ৰূপক হিচাপে তেওঁ চাবলৈ বিচাৰিছে। সূক্ষ্ম সচেতন আৰু সৌন্দর্য্যপিয়াসী বেজবৰুৱাৰ কবিসত্তা—

"ৰমনীয়ৰ কমনীয় মাধুৰী মধুৰ
আধাফুটা আধামাত সৰগ শিশুৰ।"

ৰমনীৰ সুকোমল মধুৰতা য'ত সৌন্দর্য্যৰ সকলো উপাদানেৰে ৰূপায়িত হয় তেনে আকর্ষণীয়তা কবিতাৰ গুণ। এই সৌন্দর্য্যৰ সূক্ষ্মতা, বক্তব্যৰ অনুচ্চৰতা কবিতাৰ কাম্য। বেজবৰুৱাই ৰমন্যাসবাদী কবিতাত পোনপটীয়া অর্থতকৈ ব্যঞ্জনাৰ প্রকাশতহে গুৰুত্ব প্রদান কৰিছিল। প্রণিধানযোগ্য যে, ৰৰ্ডচৰৰ্থে কবিতালৈ সাধাৰণ লোকৰ ভাষা আদৰি আনিব বিচাৰিছিল, আনহাতে, বেজবৰুৱা এই মতৰ বিৰোধী আছিল। তেওঁৰ মতে কবিতাৰ সূক্ষ্মতা 'অমার্জিত' ভাষাৰ জৰিয়তে কেতিয়াও উদ্ভাসিত কৰি তুলিব নোৱাৰি, ইয়াৰ বাবে প্রয়োজন 'পৰিমার্জিত' ভাষাৰ। এইদৰেই বেজবৰুৱাৰ কবিতা বিষয়ক চিন্তা-চর্চাৰ আধাৰত বেজবৰুৱাৰ কাব্যতত্ত্বক এটি গঢ় দি ল'ব পাৰি।

জোনাকী যুগৰ ৰমন্যাসিক কবিতাত কাব্যৰ অভিজ্ঞতা আৰু জীৱনৰ অভিজ্ঞতাৰ মাজত কোনো পার্থক্য নাছিল। জীৱনবোধ আৰু কাব্যিক উপলব্ধি এটা আনটোৰ পৰিপূৰক। তেনেদৰে অসমীয়া ৰমন্যাসিক কবিতাত সৌন্দর্য্যস্পৃহা আৰু নৈতিকতাৰ মাজতো কোনো বিৰোধ নাছিল। সেয়ে ৰমন্যাসিক অসমীয়া কবিসকলে সাহিত্য-চর্চা, ধর্ম-চর্চা, দেশপ্রেম, সমাজ-সংস্কাৰ সকলোটি একে উৎসাহেৰে সাধনা কৰিব পাৰিছিল, কাৰণ কবিয়ে সূক্ষ্ম সত্য আৰিষ্কাৰ কৰিব পাৰে। কল্পনাৰ বলত বাস্তৱতাৰ ভ্রমৰ ঊর্ধ্বত উঠিব পাৰে। পুৰণি পৃথিৱীতো আমি নতুনকৈ চাব পাৰোঁ কল্পনাৰ সহায়ত। *বীণ-বৰাগী* কবিতাত বেজবৰুৱাই লিখিছে—

"নতুন প্রাণৰ
ন চকুযুৰি
দীপিতি ঢালি দে তাত;
পুৰণি পৃথিৱী
ন-কৈ চাই লওঁ
হে বীণ এযাৰি মাত।"

ৰমন্যাসিক কবিয়ে সকলো অভিজ্ঞতাৰ মাজত অন্তর্নিহিত ঐক্যৰ সন্ধান পায়। সেয়ে তেওঁলোকৰ কবিতাত ৰহস্যবাদী সুৰ এটি শুনা যায়। বেজবৰুৱাৰ *কদমকলি* নামৰ কবিতাত এনে চিন্তাৰ নিদর্শন আছে—

"সংজ্ঞাৰ অতীত শক্তি, বিশ্বব্যাপী কায়
ক্ষণিক সম্ভোগে যাৰ দেৱত্ব মিলায়
মৰু বুৰে, শিল পমে বিন্দুৰ পৰশে
প্রেম আখ্যা মহাশক্তি জগৎ প্রকাশে।"

চন্দ্রকুমাৰ আগৰৱালা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ চিন্তা আৰু দৃষ্টিভঙ্গীত বহুতো মিল দেখা যায়। মন কৰিব যে *জোনাকী* কাকতৰ প্রথম বছৰ প্রথম সংখ্যাত প্রকাশিত চন্দ্রকুমাৰৰ *বনকুঁৱৰী* প্রথম অসমীয়া ৰোমাণ্টিক কবিতা। বেজবৰুৱাৰ দৰে চন্দ্রকুমাৰৰ কবিতাতো সৌন্দর্য্য চিন্তা আৰু মঙ্গল চিন্তাৰ সমন্বয় দেখা যায়—

"শ্রেয়ৰ লগত নিছিগা সূত্রেৰে
বান্ধিম আতমাক মোৰ;

সৌন্দর্য্যৰ সৈতে সম্বন্ধ কৰিম
শ্রেয়ৰে প্রেয়ৰ যোৰ।"

চন্দ্রকুমাৰ আগৰৱালা পাছলৈ গান্ধীবাদী জাতীয়তাবাদী আন্দোলনৰ নেতা হিচাপে পৰিগণিত হৈছিল যদিও জীৱনৰ আগৰ কালছোৱাক 'সুন্দৰৰ আৰাধনা'ক জীৱনৰ খেল হিচাপে লৈছিল। সেই সাধনাৰ ফলশ্রুতি হিচাপে কল্পনাৰঞ্জিত *বনকুঁৱৰী*, *জলকুঁৱৰী*, *যক্ষিনী কন্যা*, *তেজীমলা* আদি কবিতা প্রকাশ পায়। যুগৰ পট পৰিৱর্তনত আৰু অসমীয়া মানসিকতাক নতুনকৈ গঢ় দিয়াত ৰমন্যাসিক কবিসকলৰ বৰঙণি অপৰিসীম। ক্রমাৎ বিকশিত হোৱা সৌন্দর্য্যবোধৰ চানেকি হিচাপে চন্দ্র কুমাৰৰ *মাধুৰী* কবিতাটোলৈ আঙুলিয়াব পাৰি। *মাধুৰি* কবিতাটিত প্রকাশ অপ্রকাশ, ইচ্ছা-অনিচ্ছাৰ দ্বন্দ্বায়মান পৰিস্থিতিৰ ৰূপায়ণ ঘটিছে। দিলীপ বৰুৱাৰ মতে, *নিয়ৰ*, *সন্ধিয়া* আদি কবিতাৰ প্রকৃতিৰ সৌন্দর্য্য বিৱৰণতো একে মানবীয় সৌন্দর্য্যবোধৰ উপলব্ধি পাওঁ। এই সৌন্দর্য্যবোধ এক 'সানমিহলিৰ অনুভূতি', মায়াজালে আবৃত আৰু সাধাৰণতে বিষাদ সনা, কিয়নো ৰমন্যাসিক কবিৰ চেতনাত 'কাল, যৱনিকাৰ ছবি নিত্য বর্তমান'। 'সৌন্দর্য্য ক্ষণভঙ্গুৰ, হয়তো ভ্রম মাথোন, এনে চিন্তা বিৰাজমান'। অৱশ্যে আমি পূর্বেই কৈ আহিছোঁ যে ৰমন্যাসিক যুগৰ কবিসকলৰ সৌন্দর্য্যৰ আৰাধনাই মূল লক্ষ্য নাছিল। জাতিৰ উন্নতিৰ চিন্তা তেওঁলোকৰ অন্তর্নিহিত উৎকণ্ঠা আছিল।

নগেন শইকীয়াই চন্দ্রকুমাৰৰ কবিতাত ইংৰাজী আৰু সংস্কৃত সাহিত্যৰ বিভিন্ন অনুষঙ্গ দেখুৱাইছে। এই অনুষঙ্গসমূহে কবিৰ অধ্যয়নশীলতা আৰু গভীৰতাৰ পৰিচয় বহন কৰিছে। উদাহৰণ স্বৰূপে ৱর্ডচৱর্থৰ "Have I not reason to lament/What man has made of man", 'আবু', "ছিদ্যতেহৃদয়গ্রন্থিশ্চিন্দ্যন্তে সর্বসংশয়াঃ"ৰ কথা ক'ব পাৰি। চন্দ্রকুমাৰ আগৰৱালা অধ্যয়নপুষ্ট মনৰ কবি আছিল।

জোনাকী যুগৰ ৰমন্যাসিক কবিসকলৰ এগৰাকী অন্যতম কবি হ'ল হেমচন্দ্র গোস্বামী। অৱশ্যে সাহিত্যতকৈ বুৰঞ্জী আৰু পুৰাতত্ত্বৰ প্রতি তেওঁৰ অধিক অনুৰাগ আছিল। তেওঁৰ একমাত্র কবিতাৰ পুথি *ফুলৰ চাকি* (১৯০৭)। গোস্বামীৰ দুটা প্রসিদ্ধ কবিতা হ'ল *প্রিয়তমাৰ চিঠি* আৰু *পুৰা*। *প্রিয়তমাৰ চিঠিত* প্রেমক নৈতিকতাৰে সিদ্ধ কৰা হৈছে। ৰোমাণ্টিক কামনা-বাসনাৰ লগতে সৌন্দর্য্য চেতনাও ইয়াত নিবিড়ভাৱে যুক্ত হৈ আছে—

"সৌন্দর্য্যৰ বুকুৰ কাঁচলি উদঙাই
প্রকৃতিৰ চৌ-ঘৰ চালো পিত পিত।
কুকুৰা-ঠেঙীয়া এই আখৰ কিটিত
যি অমিয়া ঘঁহা আছে, ক'তো আৰু নাই।"

লোকগীত আৰু সাধুকথাই ইংৰাজ ৰমন্যাসিক কবিতা সমৃদ্ধ কৰিছিল। তেনেদৰে অসমীয়া ৰমন্যাসিক কবিতাও লোকসংস্কৃতিৰ দ্বাৰা প্রাণৱন্ত হৈছে। বিশেষকৈ চন্দ্রকুমাৰ আগৰৱালাৰ অতীন্দ্রিয়বাদৰ প্রতি থকা ঔৎসুক্য ইয়াৰ লগত জড়িত হৈ আছিল। *বনকুঁৱৰীৰ* দৰে কবিতা তাৰ নিদর্শন। এনে কল্পনাৰ গুণতে বেজবৰুৱাই 'ধনবৰ ৰতনী', 'ডালিমী' আদি চৰিত্রৰ সৃষ্টি কৰিব



কল্পচিত্র ঃ ক্ষণিক মুহূর্তৰ বাবে বুদ্ধি আৰু আবেগৰ সমন্বয়ত সৃষ্টি হোৱা এক চিত্ৰৰূপ।

পাৰিছিল। দিলীপ বৰুৱাই সঠিক মন্তব্য আগবঢ়াইছে— "বেজবৰুৱা আৰু আগৰৱালাই অসমীয়া কাব্য জগতৰ ভেটি স্থাপন কৰি গ'ল। আধুনিক কবিতাৰ বাবে ভাষা সৃষ্টি কৰি গ'ল। সেয়ে ভৱিষ্যতৰ সকলো সৃজনী প্ৰতিভা তেওঁলোকৰ ওচৰত ঋণী।"

*বাঁহী*ৰ যুগৰ কবি যতীন্দ্ৰ নাথ দুৱৰা প্ৰধানতঃ প্ৰেমৰ কবি। অনুবাদ সাহিত্যৰ ভিতৰুৱা হ'লেও *ওমৰ তীৰ্থ* (১৯২৬) অসমীয়া ৰমন্যাসিক কবিতাৰ আলোকস্তম্ভ স্বৰূপ, পাৰস্যৰ কবি ওমৰ খেয়ামৰ ইংৰাজ কবি এডোৱাৰ্ড ফিৎজেৰাল্ডে ১৮৫৯ চনত কৰা অনুবাদৰ ওপৰতেই *ওমৰ তীৰ্থ* বিশেষভাৱে নিৰ্ভৰশীল। এই অনুবাদ যিহেতু স্বপ্ৰণোদিত সেয়ে আমি ক'ব পাৰোঁ যে কবি দুৱৰাই প্ৰকাৰান্তৰে নিজৰ চিন্তাৰ প্ৰতিভু তাত বিচাৰি পাইছিল। প্ৰেমৰ বিষাদ ৰাগিনী যতীন্দ্ৰ নাথ দুৱৰাৰ কবিতাৰ জৰিয়তে মূৰ্ত হৈছে। নিয়তিৰ বিধানহে মুখ্য কথা, এই পৰম্পৰাত ব্যক্তিৰ কোনো স্থান নাই—

"জগতত হেঁৰা নঘটে প্ৰলয়
তুমি আৰু মই আঁতৰি গ'লে
কোন তুমি মই নহ'লেও আমি
সংসাৰৰ হাট সমানে চলে।"

দুৱৰাৰ কবিতা জীৱনৰ ক্ষণস্থায়িত্বৰ বতৰা আৰু প্ৰেমৰ নৈৰাশ্যৰে পুৰ্ণ। আলোচক দিলীপ বৰুৱাই লক্ষ্য কৰিছে যে সৰ্বসাধাৰণৰ মাজত প্ৰচলিত ওমৰৰ প্ৰতিচ্ছবি দুৱৰাই মূৰ্ত কৰিছে। সুৰাৰ পিয়লা হাতত লৈ সকলো হতাশা অতিক্ৰম কৰা স্বপ্ন দেখিছে—

"ঢালা তেন্তে সখা জীৱনৰ সুধা
চিন্তা ভাৱনা দূৰত থ'ক;
ধৰিব নোৱাৰা নিয়তিৰ লীলা
পিয়লা ভৰাই পাহৰা য'ক।"

নদী, নাওঁ, নাৱৰীয়া তেওঁৰ কবিতালৈ বাৰে বাৰে আহিছে আৰু সি জীৱনৰ গতিময়তা ব্যঞ্জিত কৰিছে—

"আহাঁ দুয়ো যাওঁ এখনি নাৱত,
তৰি দি শুকুলা পাল,
অচিন দেশত, অচিন বেশত,
ৰঙেৰে কটাম কাল।"

অসমীয়া ৰমন্যাসিক কবিতাৰ ক্ষেত্ৰত গুৰুত্বপুৰ্ণ অৱদান যোগোৱা আন এগৰাকী কবি হ'ল মফিজুদ্দিন আহমদ হাজৰিকা। তেওঁৰ জ্ঞান মালিনীৰ ৰহস্যবাদ উদ্ভাসিত হৈছে অপূৰ্ব গাঁথনিগত দক্ষতাৰে। গভীৰ অন্তদৃষ্টিসম্পন্ন এই গৰাকী কবিয়ে সাম্ৰাজ্যবাদী মায়াজালৰ কথাও অনুধাৱন কৰিব পাৰিছিল। অসমীয়া ৰমন্যাসিক কবিতাৰ আন এগৰাকী লেখত ল'বলগীয়া ক বি ৰঘুনাথ চৌধাৰী। চৌধাৰীৰ কবিতাসমূহত মহেশ্বৰ নেওগে দুটা স্পষ্ট আৰু সুৰীয়া ধাৰা দেখিবলৈ পাইছে, এটা ইন্দ্ৰিয়মুখী আৰু আনটো ইন্দ্ৰিয়বিমুখী। চৌধাৰীৰ দৰে চৰাই আৰু ফুলৰ কাব্যিক ৰূপায়ণ

অসমীয়া কবিতাৰ ক্ষেত্রত বিৰল। চৌধাৰীৰ কবিতাত অনুভূতিৰ এটি ক্রমবিকশিত ৰূপ দেখা যায়। ভাষা, ৰচনাশৈলী, ***কল্পচিত্র***, ছন্দ প্রয়োগৰ ক্ষেত্রত কবিৰ কুশলতাই কবিতাবোৰক নিটোল ৰূপ প্রদান কৰিছে। চৰাই এটিৰ বিভিন্ন অনুষঙ্গৰ জৰিয়তে কবিৰ ব্যক্তিগত প্রেমৰ অনুৰণন ঘটিছে তেওঁৰ *দহিকতৰা* কবিতাত আৰু সিয়েই কবিতাটিৰ ৰমন্যাসিক বৈশিষ্ট্য দান কৰিছে। কবিয়ে দহিকতৰা চৰাইটিক ব্যক্তিগত আবেগৰ লগত জড়িত কৰিছে, তেওঁৰ ব্যর্থ প্রেমৰ কথা প্রকাশ কৰিছে। তাকে কৰিবলৈ যাওঁতে কবিয়ে পটভুমি হিচাপে পৰিচিত প্রকৃতি জগতখনৰ বিৱৰণ আগবঢ়াইছে। চৌধাৰীৰ *গোৱাহে এবাৰ মোৰ প্রিয় বিহঙ্গিনী* কবিতাতো ব্যক্তিগত প্রেমৰ ধ্বনিয়েই উচ্চাৰিত হৈছে। ব্যক্তিগত অনুভৱৰঞ্জিত প্রেমৰ এই ছবি কেতিয়াবা লোকাতীত, মর্তাতীত ভাৱনাৰ লগতো বিজড়িত হৈ পৰে।

অম্বিকাগিৰী ৰায়চৌধুৰী অসমীয়া ৰমন্যাসিক কবিতাৰ আন এটি উজ্জ্বল প্রতিভা। তেওঁৰ কবিতাত ব্যক্তিগত প্রেম আধ্যাত্মিক প্রেমলৈ ৰূপান্তৰিত হৈছে। *কি লৰণু দিলা মোক, অনুভূতিত* সঙ্কলিত ৰায় চৌধুৰীৰ এটি সুন্দৰ কবিতা। কবিৰ প্রিয়ফুল ভগৱান আনন্দৰ স্পর্শত ফুলি উঠিছে আৰু সিয়েই কবিৰ জীৱন আৰু মৰণ উভয়কে সৌন্দর্য্যমণ্ডিত কৰি তুলিছে। জীৱনৰ শেষ স্তৰত কবি হৈ পৰিছে ক্লান্ত আৰু মোহগ্রস্ত।

এইসকল কবিৰ বাহিৰেও অসমীয়া ৰমন্যাসিক কবিতাক সমৃদ্ধি প্রদান কৰা কবিসকলৰ ভিতৰত ৰত্নকান্ত বৰকাকতী, নলিনীবালা দেৱীৰ অৱদান স্মৰণীয় হৈ থাকিব। বৰকাকতীয়ে ৰবীন্দ্রনাথ ঠাকুৰৰ প্রেৰণাত অনুভূতিৰ সূক্ষ্মতা মূর্ত কৰিছিল আৰু নলিনীবালা দেৱীৰ কবিতাত ভাৰতীয় আধ্যাত্মিকতা দৈনন্দিন বাস্তৱতাত নিবিড়ভাৱে মিহলি হৈ গৈছিল। অসমীয়া ৰমন্যাসিক কবিতা আধুনিক অসমীয়া কবিতাৰ এটি উজ্জ্বল অধ্যায় হিচাপে পৰিগণিত হ'ব।

পাশ্চাত্যৰ প্রভাৱত অসমীয়া ৰমন্যাসিক কবিতাত কেতবোৰ বিশিষ্ট লক্ষণ দেখা যায়। ইয়াৰে কেতবোৰ পাশ্চাত্যৰ পৰা পোনপটীয়াভাৱে অহা, কেতবোৰ প্রাচ্য আৰু পাশ্চাত্যৰ সংশ্লেষণৰ ফলস্বৰূপে গঢ় লৈ উঠা।অসমীয়া ৰমন্যাসিক কবিতাৰ লক্ষণসমূহ এইদৰে নির্ণয় কৰি ল'ব পাৰি—

ক) প্রকৃতিৰ চিত্রণ
খ) ব্যক্তিগত প্রেমৰ ৰূপায়ণ।
গ) মানৱতাবাদ
ঘ) জনজাতীয় জীৱনৰ প্রতিফলন
ঙ) প্রান্তীয় জীৱনৰ ৰূপায়ণ
চ) স্বদেশ প্রীতি
ছ) গীতিধর্মিতা
জ) কল্পনাপ্রৱণতা
ঝ) ৰহস্যবাদ
ঞ) নতুন ছন্দ-ৰীতি

৫.৫ *বীণ-বৰাগী*

ইতিমধ্যে আপুনি ৰমন্যাসবাদ আৰু ৰমন্যাসিক কবিতাৰ বৈশিষ্ট্যসমূহ অধ্যয়ন কৰাৰ লগতে অসমীয়া ৰমন্যাসবাদী কবিতাৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিলে। সেই আলোচনাত ধাৰণা লাভ কৰিলে যে চন্দ্রকুমাৰ আগৰৱালাৰ হাততে অসমীয়া ৰমন্যাসিক কবিতাৰ শুভাৰম্ভ হ'ল। এইজনা কবিয়ে ৰচনা কৰা *বীণ-বৰাগী* শীৰ্ষক কবিতাটি আমি এতিয়া আলোচনা কৰিম। তলত কবিজনাৰ চমু পৰিচয় দাঙি ধৰাৰ লগতে মূল পাঠখিনি দি কবিতাটোৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল।

৫.৫.১ কবি পৰিচয়

চন্দ্রকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৮) হৰিবিলাস আগৰৱালাৰ দ্বিতীয় পুত্র। হৰিবিলাস আগৰৱালা (১৮৪২-১৯১৬) আছিল নৱৰঙ্গৰাম কেড়িয়া আগৰৱালা (১৮১১-১৯৫৪)ৰ বংশোদ্ভৱ। এই নৱৰঙ্গৰাম কেড়িয়া আগৰৱালা সুদূৰ ৰাজপুতনাৰ পৰা ওঠৰ শতিকাৰ তৃতীয়টো দশকত আহি অসমত বসতি স্থাপন কৰিছিল। হৰিবিলাস আগৰৱালাই ৰচনা কৰা আত্মজীৱনী আধুনিক গদ্যৰ বিকাশৰ অধ্যয়নৰ ক্ষেত্রত লাগতিয়াল সমল হ'ব পাৰে। চন্দ্রকুমাৰ আগৰৱালা জন্ম হৰিবিলাস আগৰৱালাৰ ঘাই ঘৰ গমিৰি গাঁৱৰ পৰা ছয়মাইল দূৰৈৰ ব্রহ্মজান নৈৰ পাৰত ১৮৬৭) চনৰ ২৮ নৱেম্বৰত হৈছিল। ১৮৭৩ চনত হৰিবিলাস আগৰৱালা তেজপুৰ নগৰলৈ উঠি অহাত চন্দ্রকুমাৰে শিক্ষাৰ পাতনি মেলিছিল তেজপুৰত। এণ্ট্রেন্স পৰীক্ষাত উত্তীর্ণ হৈ চন্দ্রকুমাৰ আগৰৱালাই কলিকতাৰ প্রেছিডেন্সী কলেজৰ নাম লগায়। এফ.এ পৰীক্ষাত উত্তীর্ণ হোৱাৰ পিছত বি.এ পঢ়ি থকাৰ কালত লক্ষ্মীনাথ বেজবৰুৱাৰ লগত তেওঁৰ চিনাকি হয় আৰু দুয়োৰে মাজত নিবিড় সম্পর্ক স্থাপন হয়। সেই সময়তে হেমচন্দ্র গোস্বামীও কলিকতাত চন্দ্রকুমাৰ আৰু বেজবৰুৱাৰ বন্ধু আৰু সহযোগী হৈ পৰিছিল। চন্দ্রকুমাৰ, লক্ষ্মীনাথ আৰু হেমচন্দ্র নতুন প্রকৃতিৰ অসমীয়া ৰমন্যাসিক কবিতাৰ ত্রিমূর্তি বুলি সেই কালৰ বৌদ্ধিক সমাজত পৰিচিত আছিল। ঊনবিংশ শতিকাৰ শেষ দশকত, প্রবাসত আৰু ছাত্র অৱস্থাতে এই মহৎ জাতীয় প্রচেষ্টাৰ পোনে পোনে গুৰি ধৰাৰ বিষয়ত, চন্দ্রকুমাৰ আগৰৱালাই এক ধৰণৰ চূড়ান্ত নির্ণায়কৰ ভূমিকা গ্রহণ কৰিছিল। ১৮৮৯ চনত চন্দ্রকুমাৰ আগৰৱালাৰ সম্পাদনাত 'জোনাকী' নামৰ আলোচনীখন প্রকাশ পায়। কবীন ফুকনে কৈ গৈছে, "আন কথা বাদ দিও, ষোড়শ শতিকাৰ ইংৰাজী কাব্যৰ সাহিত্যিক ৰমন্যাসবাদী চৰিত্র আৰু ঊনবিংশ শতিকাৰ ইংৰাজী কাব্যৰ আত্ম সচেতন ৰমন্যাসবাদৰ তত্বকথা আৰু প্রয়োগ বিদ্যা তেওঁ কলেজীয়া শিক্ষাৰ পৰা আহৰণ কৰি লোৱাৰ প্রমাণ তেওঁৰ কবিতাত জলজল পটপট হৈ আছে।"

অসমীয়া ৰমন্যাসিক কবিতাৰ প্রথম তৰঙ্গৰ শীৰ্ষস্থানীয় কবি চন্দ্রকুমাৰ আগৰৱালাৰ দুখন কাব্য সঙ্কলন হৈছে ক্রমে *প্রতিমা* আৰু *বীণ-বৰাগী*।

৫.৫.২ কবিতাটিৰ মূল পাঠ

বীণ-বৰাগী

শুনিবা প্রাণৰ বীণখনি মোৰ,
আহিছো ভাগৰে দুখে।
বেজাৰৰ কথা কৈও অন্ত নাই,
মাতও নুফুটে মুখে।।
দুখ-ভাগৰৰ অন্ত তোমাতেই,
সন্তাপ আঁতৰাই নিয়াঁ।
তোমাতে আশ্রয়, তোমাতে নির্ভয়,
তোমাতে নিচুক হিয়া।।
লক্ষ হৃদয়ৰ লক্ষ দুখ-কণা
বান্ধিছা একেটি সুৰে।
তোমাৰ প্রাণেৰে মহাপ্রয়াণত
দুখো সুখ হৈ পৰে।।
দুখৰ-সুখৰ মিলনৰ ৰেখ
মাৰ গ'ল কোনপিনে?
দুখৰ লগতে সুখ ধৰা পৰে,
সুখ দুখ কোনে চিনে।
বায়ুৰে সৈতে যি খেল তোমাৰ
পৰশে হৃদয়-তালি।
চৈধ্য ভুৱনৰ মিলনৰ ঢৌ
বায়ুৰে ফুৰিছে খেলি।।
উঠি হৃদয়ত লীন হয় ক্ষণে
দৰিদ্রৰ মনোৰথ।
উধায় কল্পনা-অসীম জগৎ
ধৰিছে আকাশী পথ।।
বিচাৰিছে প্রাণে যি ধন-সম্পদ,
উতলা যিহৰ লাগি।
এয়ে সেই যাৰ আশাতে হৃদয়
আছে নিশ-দিন জাগি।।
মুকলি মনৰ মানৰী মূর্ত্তি,
অকলঙ্ক মধুৰিমা।

দিৱা দৃষ্টি এয়ে সচেত সপোন,
নাই সপোনৰ সীমা।।
কিনোনো কৈ যাম কিনোনো শুনিবা,
দুখৰ উপৰি দুখ।
কুকুৰে কামোৰে, ছৱালে ছলিয়ায়,
ক'তওতো নিমিলে সুখ।।
দুখায়াৰ কথা কোনেনো শুনিব?
শুনিও নুশুনে কেৱে
পদুলিৰপৰা খেদি পঠিয়ায়,
বলিয়া বুলিহে হাঁহে।
কাকেইবা ক'ম, কোনে পতিয়াবা?
শুনিবা প্ৰাণৰ বীণ।
তোমাতে আশ্ৰয় মাগিছো হে দেৱী,
ৰৱাগী দুখীয়া দীন।।
মনে মনে ক'ম মনৰ কথাটি,
মনৰ তলিত গঁথা।
তোমাৰ হিয়ালৈ ৰ'ৱহে নিজৰি
সন্তাপি হিয়াৰ কথা।।
প্ৰাণৰ প্ৰাণ দুখীৰ দুৰ্দ্দশা
বাজিহে আপোন ৰাৱে।
জগৎ জুৰিব তোমাৰ হিয়াত
পৰি প্ৰতিধ্বনিভাৱে।।
দুগুণ সুৱলা দুগুণ সুন্দৰ
ফুটিব মুখৰ মাত।
দুগুণ সাহসেৰে দুগুণ শকতি
পাম হে দুৰ্বলী গাত।।
নুশুনা লোকেও শুনি ৰৈ যাব,
শুনিব দুখ কথা।
এখন্তক ৰ'ব, সুনি পমি যাব,
বুজিব বেজাৰ ব্যাথা।।
শুনা তেন্তে শুনা, শুনা দেৱী শুনা,
কৈ লঘু হক হিয়া।

নোৱাৰোঁ ব'ব বেজাৰৰ ভাৰ
দিয়া, পাতলাই দিয়াঁ।
গোটেই সংসাৰৰ দুখৰ বোজাটো
নহয়যে এলাপেচা।
সেয়ে প্ৰতি ক্ষণে খুন্দিয়ায় মো,—
বুকত গধুৰ হেঁচা।।
তোমাৰ বিননি শুনি থৰ হয়,
পশু-পখী, গছ-লতা,
লুইত উজায়, জোন তধা লাগে,
মানুহৰ কিবা কথা?
হুমুনিয়া-ৰাশি মৰম পৰশি
তোমাৰো বিদৰে হিয়া।
সৰগৰ বীণ লৰণুত অধিক,
কোমলৰো কুমলীয়া।।
মানুহৰ দুখ বুকুত সুমাই
লইছা যতন কৰি।।
অমৃতৰ ধাৰা শান্তি ছটিয়াই
লইছা সন্তাপ হৰি।।
একৰ দুখক এশত ভগাই
পাতলোঁৱা দুখ-ভাৰ।
মানুহ-প্ৰাণৰ এশ সুঁতি আনি
বোওৱাঁ একেতি ধাৰ।।
গোৱাঁ দেৱী, গোৱাঁ প্ৰাণৰ কথাটি,
শুনক জগতে গোৱাঁ।
গোৱাঁ, আজি মোৰ প্ৰাণৰ ধাউতি,—
প্ৰাণে প্ৰাণে মিলি গোৱাঁ।
তোমাৰ সুৰতে প্ৰাণ লীণ গৈ
উঠক সকলো ব্যাপি।
প্ৰাণে প্ৰাণে মিলি হিয়াৰ কথাটি
তোমাতে দিলো যে সঁপি।।
সুখ সুখ বুলি ফুৰিলো বিচাৰি,
সুখৰ দেখা দেখি নাই।

পাই পখিলাটি সুধিলো এদিন,
সুখ কেনেকুৱা ভাই?
থাপতে চিলাই নিলেহি উৰাইঙ্গ
সুখ কেনে, কোনে কয়?
কোৱাঁ বীণ, কোৱাঁ সুখ কেনেকুৱা,
ক'তো সমিধান নাই।।
সুখ বোলে হেনো সংসাৰৰ সাৰ,
ওলালো জোলোঙা লৈ।
সংসাৰখনৰ দুৱাৰে দুৱাৰে
ঘুৰি খেদা খালোঁ গৈ।।
হে প্ৰাণৰ বীণ, যি দেখিলোঁ আৰু
ক'বলৈ লাগিছে বেয়া।।
দুখিয়াৰ দুখ দুৰ্বলীৰ শাস্তি
দেখি ফাটি যায় হিয়া।।
দেখিলো কেনেনো নৰ-সমাজত
বিষম জঞ্জাল হায়।
মানুহে মানুহে পৰতকৈ পৰ,
এফেৰি মৰমো নাই।।
নিছলা দুখীয়া দেখিলে ঘিণায়
ডাঙৰৰ ডাঙৰ ভেম।
বলীৰ ভয়ত কোঁচমোচ খায়;
নিঃকিনৰ পৰম যম।।
ঘৰে ঘৰে চোৱাঁ মিলা-প্ৰীতি নাই,
খোলাকটিতেহে প্ৰাণ।
ধন-সোণ সাঁচি ধন ধন কৰি,
এৰিলে ধৰম জ্ঞান।।
কোঢ়াল-কন্দল হাই উৰুমিৰে
পূৰ মানুহৰ ঘৰ।
কণা কাড়ি এটালৈকে লাগে দ্বন্দ্ব,
নেজানে আপোন পৰ।।
সোৱাদ নজনা মাতোটি মুখৰ,
বেজাৰ দিবহে পাৰে।

জীৱনক কৰি তিতাৰেই পূৰ
আপদ চপাই মাৰে।।
কুটুমেই ৰান্ধে, কুটুমেই বাঢ়ে,
কুটুমে কুটুমক খায়।
কুটুমৰ তেজৰে বস্তি জলালে,
মজিয়া ভকেভকায়।।
মানুহৰ তেজ শুহি শুহি খায়
মানুহ-ৰাক্ষসে চোৱাঁ।
চোকা চোকা মাতে বিন্ধে প্ৰাণলৈকে,
নুবুজে আনৰ হিয়া।।
এবিধ চোৱাঁচোঁ মুখৰ সোৱাদে
জিনিলে জগতখন।
হলাহল বাকি পিছেহে শুহিব
লোকৰ প্ৰাণৰ ধন।।
ফুলনিৰ ফুল লখিমী জীয়ৰী
দলিছে ভৰিৰে হায়ঙ্গ
সৰগী বস্তুৰ কি জানিবা মোল?
পৃথিৱী পাপ ঠাই।।
ধৰ্ম্মৰ নামত অধৰ্ম্মৰ বেহা
দেখিলে বিৰাগ হয়।
ধনৰ লোভত পাপ-সত্ৰ পাতি
কপটী গুৰুৰ জয়।।
ভাটৌৰ দৰে আওৰাই শাস্ত্ৰ
ফুৰে জ্ঞানী বোলাই।
এজনযে আছে সকলোৰে সাক্ষী
অলপো নকৰে ভয়।।
হে প্ৰাণৰ বীণ, কি শুনিবা আৰু,
দুখৰ উপৰি দুখ।
দুখৰ পোহাৰ সংসাৰৰ মেলা,
নাই নাই নাই সুখ।।
নিঃকিনলৈ কিয় দুখতে দুৰ্দশা
নিদয় বিধান ইটো?

দুর্বলীৰ গতি জীয়ন্তে মৰণ,
কিয় নখণ্ডিব সিটো?
নেলাগে কুটিল সংসাৰৰ পথ
নেলাগে চাপৰ ওখ।
আলেখৰ লেখ নেলাগে সম্পদ,
নেলাগে বিষয়-সুখ।।
নেলাগে সমাজ, নেলাগে সম্ভ্রম,
নেলাগে মানীৰ মান।
কৃপাও নেলাগে, ভিক্ষাও নেলাগে,
নেলাগে পাপীৰ দান।।
প্রলয়ৰ দিন ঘোৰ ভয়ঙ্কৰ,
আহক পাপীৰ ত্রাস।
জল-স্থল-সম, নাই তল-বাম,
সুখ-দুখ হা হুতাশা।।
আঙুলি বুলাব জনা হ'লে আজি
পেলালোহেঁতেন টানি।
হিমালয়-চূড়া বুৰালোহেঁতেন
উছালি ক'লীয়া পানী।
আকাশৰ তৰা নুমানোহেঁতেন
থপিয়াই লাখে লাখে।
জোন বেলি গ্রহ পেলালোঁহেঁতেন
দলিয়াই জাকে জাকে।
পাপৰ মজিয়া নিয়ালোহেঁতেন
অঠাই সাগৰৰ তল।
ব্রহ্মাণ্ডৰ চিন থাকিলহেঁতেন
মাথোঁ সমুদ্রৰ জল।।
মান-অপমান টৌৰাই যাওক
পৃথিৱীৰ পৰা গুচি।
নতুন সৃষ্টিৰ অৰুণ কিৰণে
কৰোক সকলো শুচি।।
দুখ-লাজ ভয় নেথাকিব আৰু,
নতুন জগৎ সিটো।

হেৰোৱা বীণৰ আনন্দৰ সুৰ
বাজিব দিনৰে দিনটো।।
দুখ দুখ কৰি জগৎ উদ্ধাৰ
কৰাঁ হে জগৎ স্বামী।
নীচ হৃদয়ৰ নীচ অহঙ্কাৰ
হওক অধোগামী।।
আগতে সন্ধিয়া, দীঘলীয়া ৰাতি,
বাটৰ পৰা নাই ওৰ;
বিশ্রাম বিচাৰি গছৰ তলত
বহিল বৰাগী মোৰ।।
দিনৰ পিছত সন্ধিয়া আহিছে,
খণ্ডিছে ভাগৰ দুখ,
পৰিছে পাছত, আছেও আগত
যুগৰ উপৰি যুগ।
বাটৰ আগত বাট বাঢ়ি যায়,
খন্তেক জিৰণি আহে,
খন্তেকতে মোৰ অনন্ত সুখৰ
সোণালী সপোন হাঁহে।।
সুলকিছে লাহে সংসাৰৰ বান্ধ,
মুকলিছে মন মোৰ;
মুকলি আকাশত মুকলি মুকলি
প্রকৃত আইৰ মূৰ।।
দিয়াঁ হে মুকলি কৰি মোৰ প্রাণ
দিয়াঁ দেৱী দিয়াঁ দিয়াঁ;
দিয়াঁ দিব্য চকু বিমল জেউতি,
দেখি উধাৰোক হিয়া।।
সুখৰ সঙ্গীত গোৱাঁ দেৱী, গোৱাঁ,
জগত নিচুক হোক;
দুখ দন্দ শোক পাহৰি কোঢ়াল
শান্তিতে বুৰোক লোক।।
দেখিছো পৃথিৱী স্বর্গতো অধিক
মানুহৰ নিজাপী ঘৰ;

মানুহেই দেৱ ইহ জগতৰ
মানুহেই পৰাৎপৰ।
মানুহৰ প্ৰীতি সাধিবলৈ চোৱাঁ
বিশ্ব-জগত-কল্পনা;
আল ধৰিবলৈ সহস্ৰ প্ৰদীপ
আৰতীৰ ধূপ-ধূনা।।
ফল ফুল জল চন্দন ভূষণ
মলয়াৰ শীতলী বা,
মানুহ সন্তোষ হক বুলি চোৱাঁ
আছে য'ত লাগে যিবা।
হাঁহিছে মানুহে, কান্দিছে মানুহে,
পাতিছে মানুহে প্ৰেম,
ধূলিতে উদয়, ধূলিতে বিলয়,
ধুলিও স্বৰ্গীয় হেম।।

.....

দিব্য দৃষ্টিৰে ফুঁৰা মোৰ বন্ধু
অন্তৰ-দাপোণ মেলাঁ;
দিগন্ত প্ৰসাৰি আকাশী নেত্ৰেৰে
চোৱাঁচোঁ সৃষ্টিৰ খেলা।
নীলিম পূণ্যৰ প্ৰভাই জিনিছে
শ্যামল পৃথিৱীখন;
মহা জলাশয় সাগৰে গৰ্জ্জিছে
উত্তাল নিমগন।।
স্বৰগী বায়ুৰ ৰিৱ্ৰিবনিত
পুনৰ থমকি ৰয়;
হৃদি-সিন্ধু-বাৰি ফুটন্ত হাঁহিৰে
শতধা বাগৰি বয়।।
সোণালী মেঘৰ প্ৰতিবিম্ব তাতে
স্বৰ্গীয় বিচিত্ৰ লীলা;
মহান আত্মাৰ আদৰ্শেৰে লেখা
ফুলাম চানেকিখিলা।।
বিচিত্ৰ মেঘৰ ভাবেৰে ৰঞ্জিত
মানৱী আত্মাৰ খেল,

মহা মহত্ত্বৰ অভিলাষী নৰ,
বিশ্বৰ প্ৰাণেৰে মেল।।
লোকালোক সউ মুখৰিত হ'ল,
উদিল পূজাৰ বেলি;
জুৰিলে হেঙুলি ধূপ-ধুনাৰেই
নীলিমাৰ খেলি-মেলি।।
কতনা কালৰ মানৱ-সন্ততি
আৰাধিছে ৰিয়াকুল;
বিশ্বৰ প্ৰেমত বিভোৰ মগন
উছৰ্গি ভকতি-ফুল।।
মোৰেই মুখেদি মানৱ প্ৰাণৰ
ফুটক আকুল মাত;
মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ
সত্য হক প্ৰতিভাত।।

৫.৫.৩ কবিতাটিৰ বিষয়বস্তু

কবি-সমালোচক হীৰেন্দ্রনাথ দত্তই কবিতাটি চমুকৈ নিৰীক্ষণ কৰি এই অভিমত আগবঢ়াইছে যে সুখৰ সন্ধান বিষয়টোক ভিত্তি কৰিয়ে *বীণ-বৰাগী* ৰচিত হৈছে। মানৱ জীৱনৰ ওপৰত বিভিন্ন দিশৰ পৰা আলোকপাত কৰিবলৈ কবিয়ে একনিষ্ঠতাৰে প্ৰয়াস কৰিছে। এগৰাকী তীৰ্থযাত্ৰীৰ লেখীয়াকৈ কবিয়ে আনন্দ-তীৰ্থ অভিমুখী যাত্ৰাৰ পাতনি মেলিছে। এই যাত্ৰা ৰমন্যাসিকতাৰ পৰাই উদ্ভুত ভাৰতীয় দৰ্শনৰ আধ্যাত্মিকতাৰ স'তে ইয়াৰ মিল হীৰেন্দ্রনাথ দত্তই লক্ষ্য কৰিছে।

"মহাপ্ৰয়াণৰ যাত্ৰী সবাওটি
আমাৰ কিহৰ চিন্তা?
মহান প্ৰাণৰ অধিকাৰী আমি
মুখত আনন্দ গীতা।"

মৈত্ৰী আৰু ভ্ৰাতৃত্ববোধৰ মাহাত্ম্য *বীণ-বৰাগী* কবিতাটিত সুন্দৰভাৱে মূৰ্ত হৈছে।

সং সাৰ-পৰিক্ৰমাৰ অন্তত কবি দুখে বেজাৰে ক্লান্ত হৈ পৰিছে আৰু বীণখনৰ ওচৰত সান্ত্বনা বিচাৰিছে। বীণখনি কবিৰ কল্পনাপ্ৰৱণতা আৰু সৃষ্টিশীলতাৰ দ্যোতক-কবিৰ একমাত্ৰ ভৰসাৰ স্থল। বীণখনিৰ জৰিয়তেই সমকালীনতা আৰু মহা জাগতিকতাৰ মাজত সমন্বয় স্থাপিত হৈছে। এই সমকালীনতা আকৌ ব্যাপকতাৰে সমুজ্জ্বল— 'লক্ষ হৃদয়ৰ লক্ষ দুখ কণা/বান্ধিছা একেটি সুৰে।' এই চলমান জগতত পোৱা দুখ জাগতিক জীৱনৰ শেষত সুখলৈ ৰূপান্তৰিত হৈছে। আনন্দ আৰু বেদনাৰ যুগপৎ উপলব্ধিৰে

অনির্বচনীয় আনন্দ লাভ কৰে পঢ়ুৱৈয়ে— 'দুখৰ সুখৰ মিলনৰ ৰেখ/মাৰ গ'ল কোন পিনে?/দুখৰ লগত সুখ ধৰা পৰে,/সুখ দুখ কোনে চিনে।' আপাত দৃষ্টিৰ বীণখনিয়ে বতাহৰ সোঁতেৰে স্পন্দিত হৈ বিশ্ব আৰু বিশ্বাতীতৰ আনন্দ ব্যঞ্জিত কৰিছে। মানুহৰ ক্ষমতা সীমিত, তেওঁৰ মনৰ চৰাইটো স্বাধীনভাৱে উধাব নোৱাৰে। তথাপি অসীমৰ আহ্বান মানুহে অনুভৱ কৰে। মনৰ ঐশ্বর্যৰ কাৰণে মানুহে জীৱন পাত কৰে। বৃহত্তৰ জীৱনৰ এই আকাংক্ষাই মনৰ সকলো প্রকাৰৰ ক্ষুদ্রতা নীচতা ধুই পখালি নিয়ে- বাস্তৱৰ এই স্বপ্নই প্রকৃত সপোনৰ পৰিধিও যেন ভেদি যাব পাৰে। লোক জীৱনৰ ভাষাৰ আলমত মানৱ জীৱনে পোৱা যন্ত্রণাৰ উপশম বিচাৰে কবিয়ে— 'কিনোনো কৈ যাম কিনোনো শুনিবা,/দুখৰ উপৰি দুখ/কুকুৰে কামোৰে, ছৱালে দলিয়ায়,/ক'তওতো নিমিলে সুখ।' ব্যক্তি বিশেষৰ দুখ-যন্ত্রণা সার্বজনীন দুখ-যন্ত্রণাত পৰিণত হৈছে— এজনৰ যন্ত্রণা বহুজনৰ যন্ত্রণা হিচাপে প্রতিধ্বনিত হ'ব। বীণ ব্যক্তিগত কল্পনা-প্রৱণতা, সৃষ্টিশীলতাই কবিৰ অন্তৰৰ শক্তি দুগুণে বঢ়াই তোলে, অন্তৰৰ দুখ আৰু শোকো পাতলায়— 'শুনা তেন্তে শুনা, শুনা দেৱী শুনা,/কৈ লঘু হক হিয়া/নোৱাৰোঁ বব বেজাৰৰ ভাৰ/দিয়াঁ, পাতলাই দিয়া।' কবিতাটোৰ 'মই' নীচক ব্যক্তিনিষ্ঠতাৰ প্রতিনিধি নহয় ৱর্ডচৱর্থ সুলভ বৃহত্তৰ মানৱ জাতিৰ প্রতিনিধি— 'গোটেই সংসাৰ দুখৰ বোজাটো/নহয় যে এলাপেচা/সেয়ে প্রতিক্ষণে খুন্দিয়ায় মোক,—/বুকুত গধুৰ হেঁচা।' সঙ্কীর্ণতাৰ অৱসানৰ জৰিয়তে বৃহত্তৰ কল্যাণবোধৰ ধাৰণাই ৰমন্যাসিক কবিৰ কল্পলোক উদ্ভাসিত কৰি তুলিছে। এখন দুখহীন ক্লেশহীন পৃথিৱীৰ স্বপ্ন ৰমন্যাসিক কবিসকলে হৃদয়ত কঢ়িয়াই লৈ ফুৰে। ৰমন্যাসিক কবিতাৰ প্রকৃতি ধ্রুপদী কবিতাৰ প্রাসঙ্গিক (Referential) প্রকৃতিৰ বিপৰীতে সজীৱ আৰু স্পন্দন পূর্ণ সত্তা— 'তোমাৰ বিননি শুনি থৰ হয়,/ পশু-পখী, গছ-লতা,/লুইত উজায়, জোন তধা লাগে/মানুহৰ কিবা কথা?' এই বীণ যে সাধাৰণ বীণ নহয় এই কথা লাহে লাহে অধিখ স্পষ্ট হৈ পৰিছে— কোমলতা স্নিগ্ধতাৰ গুণ আৰোপ কৰি বীণখনিক সৰগীয় বুলি অভিহিত কৰিছে কবিয়ে। ধূলি-মাটিৰ পৃথিৱী খনত বাস কৰা মানুহৰ দুখ-যন্ত্রণা বীণখনিয়ে নিজৰ বুকুতে সামৰি সুতৰি লৈ মৰগীয় বাহিধাৰা ছটিয়াই হিয়া প্রশান্তিময় কৰিব বিচাৰিছে। ব্যক্তি প্রাণৰ লগত সম্পর্কিত হৈছে সার্বজনীন প্রাণ, সেয়ে কবিয়ে প্রাণে-প্রাণে মিলি যোৱাকৈ গীত গাবলৈ আহ্বান জনাইছে। ব্যাপকতাৰ পিনে ধাৱমান হৈছে বীণৰ স্পন্দন— 'গোৱাঁ দেৱী, গোৱাঁ প্রাণৰ কথাটি,/শুনক জগতে গোৱাঁ/গোৱাঁ আজি মোৰ প্রাণৰ ধাউতি—/প্রাণে প্রাণে মিলি গোঁৱা।'

প্রকৃতিৰ একোটাহঁত উপাদান হিচাপেই ক্রিয়াশীল বীণখন, পাখিলাহি পখিলাটি সেয়ে কবিয়ে পখিলাটিক যেতিয়া সুখৰ স্বৰূপ সম্পর্কে প্রশ্ন কৰিছে তেতিয়া সুখ অন্তর্হিত হৈ পৰিছে। সুখৰ সন্ধানত বৰাগী কবিয়ে জীৱন পাত কৰিছে যদিও সুখৰ সন্ধান পোৱা নাই।

কবিতাটোৰ দ্বিতীয় তৰঙ্গত কবিয়ে যি বিদ্রোহৰ কথা কৈছে সেয়া কিন্তু অমানুহৰ বিৰুদ্ধেহে বুলি ক'লে তাৰ অর্থৰ প্রমাদ ঘটিব। এই বিপ্লৱ বাস্তৱ পৃথিৱীৰ বুকুত সংঘটিত বিপ্লৱ নহয়, এই বিপ্লৱ মহাজাগতিক বিপ্লৱ— 'আঙুলি বুলিব জনা হ'লে আজি/ পেলালোঁহেঁতেন টানি/হিমালয়-চূড়া বুৰালোঁহঁতেন/উছালি ক'লীয়া পানী।' এই মহাপাতকৰ পৃথিৱী ধ্বংস হৈ তাৰ বুকুতে নতুন পৃথিৱী এখন ৰচিত হোৱাৰ স্বপ্ন দেখিছে কবিয়ে।

কবিতাটিৰ তৃতীয় তৰঙ্গত কবিৰ ক্রোধে সমাহিত ৰূপ লাভ কৰিছে আৰু এই ধূলি মাটিৰ পৃথিৱীতে সোণৰ আন্বষণ কৰিছে কবিয়ে। বীণক তেওঁ সুখৰ সঙ্গীত গাবলৈ দিছে আৰু দুখ দ্বন্দ্ব পৰিহৰি মানুহে যাতে শান্তিৰ নিজৰাত অৱগাহন কৰিব পৰে তাৰে বাঞ্ছা কৰিছে। আচৰিত নহয় কবিৰ অন্তৰৰ এই বিদ্রোহে কবিতাটিৰ নৱম তৰঙ্গত আধ্যাত্মিকতাত শৰণ লৈছে। দিব্যদৃষ্টি, আকাশী নেত্র, অন্তৰ-দাপোন, নীলিম পুণ্য আদিৰ অনুষংগত এই ধাৰণাই স্বচ্ছতা লাভ কৰিছে— 'স্বৰগী বায়ুৰ বিৰৰিবনিত/পুনৰ থমকি ৰয়;/হৃদি সিন্ধু- বাৰি ফুটন্ত হাঁহিৰে/শতধা বাগৰি বয়।' বৃহত্তৰ জীৱনৰ প্রতিনিধি 'মই'ৰ জৰিয়তেই এই আধ্যাত্মিকতাৰ ৰূপায়ণ হোৱাটো কবিয়ে বিচাৰে— 'মোৰেই মুখেদি মানৱ প্রাণৰ ফুটক আকুল মাত;/মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ/সত্য হক প্রতিভাত।।'

৫.৫.৬ কবি হিচাপে চন্দ্রকুমাৰ আগৰৱালাৰ মূল্যায়ন

এক প্রকাৰৰ সৌন্দর্য্যবোধ চন্দ্রকুমাৰ আগৰৱালাৰ কবিতাৰ ঘাই আধাৰ। আনকি তেওঁৰ যিবোৰ কবিতাত অলৌকিকতা আছে তাতো একপ্রকাৰৰ নন্দনতাত্ত্বিক জাগৰণ অনুভৱ কৰিব পাৰি। ৰমন্যাসিক কবিতাত কল্পনাৰ সার্বভৌমত্বৰ কথা মনত ৰাখি এই কথা ক'ব পাৰি যে, চন্দ্রকুমাৰ আগৰৱালাৰ হাততে ৰমন্যাসিক চেতনাই একপ্রকাৰৰ পূর্ণতা লাভ কৰিছিল। চন্দ্রকুমাৰ আগৰৱালাৰ উৎকৃষ্ট কবিতাসমূহৰ ভিতৰত *সন্ধিয়া, সপোন, প্রকৃতি, কিশোৰী, মাধুৰী, বনকুঁৱৰী, নিয়ৰ, জলকুঁৱলী, তেজীমলা* অন্যতম। *বীণ-বৰাগী* কবিতাটিৰ গুৰুত্ব হ'ল— কবিৰ কাব্য-চেতনাৰ আটাইবোৰ দিশেই ইয়াত প্রতিফলিত হৈছে।

চন্দ্রকুমাৰ আগৰৱালাৰ *প্রকৃতিত* এফালে উদ্ভাসিত হৈছে প্রকৃতিৰ অবিনশ্বৰতা আৰু আনফালে মূর্তিমন্ত হৈ উঠিছে জীৱনৰ অস্থিৰতা আৰু ক্ষণস্থায়িত্ব। সমগ্র কবিতাটোত পানীৰ লগত জড়িত বিভিন্ন অনুষঙ্গ সিঁচৰতি হৈ আছে। 'প্রীতিৰ সোঁত বই যোৱা'ৰ দৰে বাক্যাংশই বিমূর্ত (প্রীতি) আৰু মূর্ত (নৈ অর্থত)ৰ অপূর্ব সমন্বয় সাধিত হৈছে। এইখিনিতে কবি সমালোচক ভবেন বৰুৱাৰ এই উক্তি প্রণিধানযোগ্য— "এই কবিতাটোত সঙ্গীত, চিত্রকল্প— সকলো জীৱনৰ এক গভীৰ বোধৰ মাজৰ পৰা ওলাই আহিছে, কবিতাটোৰ সকলোবোৰ শব্দ সেই বোধৰ ৰসেৰে সিক্ত। চিৰন্তন প্রকৃতি আৰু ক্ষণস্থায়ী জীৱনৰ টনা-আঁজোৰাৰ দার্শনিকতাই কবিতাটোৰ আয়তন বৃদ্ধি কৰিছে।"

চন্দ্রকুমাৰ আগৰৱালাৰ *তেজীমলা*ও এটা উল্লেখযোগ্য কবিতা। লক্ষ্মীনাথ বেজবৰুৱাৰ *বুঢ়ী আইৰ সাধুত* থকা *তেজীমলা* সাধু কথাটোৰ বৰ্ণনাৰ বেছিভাগ কথাই কবিয়ে বাদ দিছে আৰু শেষ অংশৰ পৰা ভাববস্তু নির্মাণ কৰিছে। কবি সমালোচক হৰেকৃষ্ণ ডেকাৰ মতে, "ইয়াত সাধুকথাৰ কাহিনীটো উপলক্ষ্যহে আৰু কাহিনীটো সুপৰিচিত বুলিয়েই কবিয়ে পদ্য-ছন্দৰে থূলমূলকৈ কাহিনীটোকেই ক্রমপ্রকাশ কৰাৰ চেষ্টা কৰা নাই। কবিতাটোৰ ধ্বনি-তৰঙ্গত ছন্দভঙ্গীৰ ভিতৰেদি ব্যাখ্যাৰ অনুভূতি ব্যাপ্ত হৈ পৰিছে আৰু তাৰ মাজেদি প্রকাশ পাইছে মানৱ স্বভাৱৰ প্রতি আস্থাৰ অভাৱ আৰু অনুযোগ। আগৰখিনি কাব্য-প্রক্রিয়া আৰু পিছৰখিনি ভাববস্তু। *তেজীমলাৰ* পূর্বৰ মানৱীয় ৰূপক আধাৰ হিচাপে লৈয়েই কবিতাৰ ভাৱবস্তু আগবঢ়াই নিছে—

"মানুহ কুটুমে দলিয়াই পেলাল
কাকানা কুটুম পালি?
মৰম-বেথাৰে আজলী কুঁৱলী
এটাইকে নিজা কৰিলি।"

নীতিকথা প্রদান কৰাব বিপৰীতে কবিয়ে সাধুকথাৰ আবেগ নিয়ন্ত্রিত কৰিছে আৰু প্রকৃতিক আশ্রয়দাত্রীৰ ভূমিকাত অৱতীর্ণ কৰাইছে। হৰেকৃষ্ণ ডেকাই অসমীয়া সাহিত্যৰ শ্রেষ্ঠ কবিতাবোৰৰ ভিতৰত *তেজীমলাক* স্থান দিছে।

এইখিনিতে কবি-সমালোচক হীৰেন্দ্রনাথ দত্তৰ অভিমত প্রণিধানযোগ্য— "প্রকৃততে আত্মকথা-আত্মানুভূতিৰ দিহা মতে কাব্য ৰচনা কৰাত লাগি যোৱাৰ কাৰণেহে তেওঁলোকৰ কবিতা ৰমন্যাসৰ কবিতা হ'বলৈ লয়। আত্মকথা-আত্মানুভূতি কেন্দ্রস্থ হৈ পৰাৰ কাৰণেহে ৱর্ডচৱর্থ, ক'লৰীজ বা চন্দ্রকুমাৰৰ কবিতাত ৰমন্যাসৰ অন্যান্য গুণগৰিমা; যেনে— বিস্ময়বোধ, সৌন্দর্য্য সম্মোহন, প্রকৃতি কাতৰতা, অতি-প্রকৃতিৰ ইন্দ্রজাল, জড় আৰু জীৱৰ অধিদৈৱি (Metaphysical) একাত্মবোধ, মানৱাত্মাৰ জয়গান, ইত্যাদি ভাবাবেগ কবি-কল্পনাৰ ৰূপ ৰসেৰে ফুটি ওলাব পাৰিছিল। এই আটাইবোৰ কাব্যবৈভৱ এনে কবিৰ কবিতাত সেয়েহে— "মই", "মোক", "মোৰ" মাজত নিহিত জীৱন আৰু শিল্পদৃষ্টিৰে প্রতিভাত হোৱা দেখা যায়।

বীণ-বৰাগীৰ কথা অধ্যায়ৰ অন্য ঠাই আলোচনা কৰা হৈছে। লোক-গীত আৰু আধুনিক কবিতাৰ সমন্বয়ৰ ক্ষেত্রত চন্দ্রকুমাৰ আগৰণুৱা কবি। ৰমন্যাসবাদৰ প্রথম তৰঙ্গৰ কবি হিচাপে চন্দ্রকুমাৰে পৰৱর্তী সময়ত বিভিন্ন কবিতাক প্রভাৱান্বিত কৰিছিল।

চিন্তা-চর্চা কৰক ৫.৩

অধিক জানিবলৈত উল্লেখ থকা কিতাপ কেইখনৰ সহায়েৰে চন্দ্রকুমাৰ আগৰৱালাৰ কবিতা সম্পর্কে বহলাই আলোচনা কৰক। তাৰ বাবে আলোচ্য কবিতাটি আপুনি আধাৰ হিচাপে গ্রহণ কৰিব পাৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ চন্দ্রকুমাৰ আগৰৱালাৰ *বীণ-বৰাগী* কবিটিত বীণখনিৰ ওচৰত কি সান্ত্বনা বিচাৰিছে? (২৫০টা শব্দৰ ভিতৰত লিখক)



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত আলোচনা কৰা চন্দ্রকুমাৰ আগৰৱালাৰ *বীণ-বৰাগী* কবিতাটি অসমীয়া ৰমন্যাসিক কবিতাৰ ঐতিহ্যত এটি মূল্যবান কবিতা।
- চন্দ্রকুমাৰ আগৰৱালাৰ এই কবিতাটোত ৰমন্যাসবাদৰ ভালেমান লক্ষণ দেখিবলৈ পোৱা যায়।
- ৰমন্যাসিক কবিতাৰ এটি মূল উপজীব্য হ'ল মানৱতাবাদ। কবিয়ে মানুহৰ মাজৰ অসূয়া অপ্রীতি আঁতৰাই এখন সুষম সমাজৰ স্বপ্ন দেখিছে। ইয়াৰ বাবে কবিয়ে এক ধৰণৰ বিপ্লৱৰ পোষকতা কৰিছে। কিন্তু এই বিপ্লৱ ধূলি-মাটিৰ পৃথিৱীখনতে সীমাবদ্ধ নহয়, এই বিপ্লৱ শ্যেলীৰ *Ode to the West Wind*ৰ বিপ্লৱৰ দৰেই।



- জাগতিক বিপ্লৱী কবিতাটোত লোক ভাষাৰ ব্যৱহাৰৰ জৰিয়তে সাধাৰণ লোকৰ া কোৱা হৈছে। ভাষাৰ এই ব্যৱহাৰৰ মাধ্যমেদি ভোলানাথ দাসৰ ভাষাৰ কৃত্রিমতাক অতিক্রম কৰিবলৈ প্রয়াস কৰা হৈছে।
- চন্দ্রকুমাৰ আগৰৱালাৰ 'মই' ইয়াত ৱর্ডচৱর্থৰ 'মই'ৰ প্রতিনিধি স্বৰূপ। কবিৰ ৰোমাণ্টিক কল্পনালোক এখন এই কবিতাটোত গঢ় লৈ উঠিছে।



৫.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) দত্ত, হীৰেন্দ্রনাথ (১৯৯৪); *ৰোমাণ্টিচিজম্ আৰু গীতি মানস*; ডিব্রুগড় ঃ বনলতা।
২) ফুকন, কবীন (২০০৩); *চন্দ্রকুমাৰ আগৰৱালা*; নতুন দিল্লী ঃ সাহিত্য অকাডেমি।
৩) বৰকটকী, বীৰেণ (১৯৮৪); *ইংৰাজ ৰমন্যাসিক কবিৰ কাব্য-প্রতিভা*; শিৱসাগৰ ঃ হিমাচল প্রকাশ।
৪) বৰা, মহেন্দ্র (১৯৭৬); *ৰমন্যাসবাদ*, পাঠশালা ঃ বাণী প্রকাশ।
৫) বৰুৱা, দিলীপ (২০০৪); *যোৱা শতিকাৰ কবিতা অসমীয়া নৱন্যাসী সাহিত্যৰ পৰম্পৰা*; গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৬) শইকীয়া, নগেন (সম্পা.) (১৯৯৩); *চন্দ্রকুমাৰ কবিতা সমগ্ৰ*; গুৱাহাটী ঃ বনলতা।

৭) শর্মা, উপেন্দ্রনাথ, (২০০৫); *কবিতাৰ ভাষা আৰু অন্যান্য প্ৰৱন্ধ*; গুৱাহাটী ঃ ভবানী দেৱী প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Abrams, M. H. (ed.) (1960); *English Romantic Poets*; New York: Oxford University Press.

2) Bowra, C. M. (1950); *The Romantic Imagination*; New York: Oxford University Press.



৫.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ ৰোমাণ্টিক কবিতাৰ সংজ্ঞা... ...ইংলণ্ডত আৰম্ভ হোৱা ৰোমাণ্টিক আন্দোলনৰ চমু আলোচনা কৰিব লাগিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ ৰোমাণ্টিক কবিতাৰ সাধাৰণ বৈশিষ্ট্য... ...ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যসমূহ...উল্লেখ কৰা বৈশিষ্ট্যটোৰ চমু আলোচনা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ বীণখনি কবিৰ কল্পনাপ্ৰৱণতা আৰু সৃষ্টিশীলতাৰ দ্যোতক... ...একমাত্ৰ ভৰসা... ...বীণখনিৰ জৰিয়তেই সমকালীনতা আৰু মহাজাগতিকতাৰ মাজত সমন্বয় স্থাপন... ...এই সমকালীনতা কেনেদৰে প্ৰতিফলিত হৈছে উদাহৰণসহ আলোচনা কৰিব লাগিব।



৫.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ চন্দ্রকুমাৰ আগৰৱালাৰ অসমীয়া ৰমন্যাসিক কবিতালৈ অৱদান কি? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ চন্দ্রকুমাৰ আগৰৱালাৰ *বীণ-বৰাগী* কবিতাত ৰোমাণ্টিক কল্পলোক কিদৰে উদ্ভাসিত হৈছে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ চন্দ্রকুমাৰ আগৰৱালাৰ *বীণ-বৰাগী* কবিতাত ৰমন্যাসবাদৰ কি কি বৈশিষ্ট্য ফুটি উঠিছে লিখক।

প্ৰশ্ন ৪ ঃ প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰক—

ক) *"শুনিবা প্ৰাণৰ বীণখনি মোৰ,*
আহিছোঁ ভাগৰে-দুখে
বেজাৰৰ কথা কৈও অন্ত নাই,
মাতও নুফুটে মুখে।"

খ) *"মুকলি মনৰ মানৱী মূৰ্তি*
অকলঙ্ক মধুৰিমা,
দিবা দৃষ্টি এয়ে সচেত সপোন,
নাই সপোনৰ সীমা।।"

গ) *"আঙুলি বুলাব জনা হ'লে আজি*
পেলালোহেঁতেন টানি,
হিমালয় চূড়া বুৰালোঁহেঁতেন
উছালি ক'লীয়া পানী।"

ঘ) *"মোৰেই মুখেদি মানৰ প্ৰাণৰ*
ফুটক আকুল মাত,
মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ
সত্য হক প্ৰতিভাত।"

*** ***** ***